بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধত চাহাবা আৰু চাহাবা সকলৰ প্ৰাণ পণ আৰু উহুদৰ শ্বহীদ সকলৰ উচ্চ মৰ্যদা সম্পৰ্কে ঈমান বৰ্দ্ধক বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১২ এপ্ৰিল ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ـ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ ـ الرَّحۡمٰنِ الرَّحِیۡمِ ـ مٰلِکِ یَوۡمِ الدِّیۡنِ ـ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ ـ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ـ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা ৰমজান মাহৰ আগত পাৰ হৈ যোৱা জুমাৰ খোতবা বিলাকত আঁহজৰত (ছাঃ)ৰ জীৱনত সংঘটিত হোৱা যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰা হৈছে। সেই বৰ্ণনা বিলাকৰ মাজত আঁহজৰত (ছাঃ)ৰ জীৱনী সম্পৰ্কেও আলোচনা কৰা হৈছিল। আজিৰ খোতবাতও সেই সম্পৰ্কে মই কিছু কথা বৰ্ণনা কৰিম।

ৰিৱায়তত উল্লেখ আছে যে যেতিয়া হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ মাকে আঁহজৰত (ছাঃ)ৰ ওচৰত আহিছিল তেতিয়া হজৰত ছাআদ (ৰাঃ)য়ে কৈছিল যে হুজুৰ (ছাঃ) এইজনী মোৰ মাক হয়। তেখেত (ছাঃ)য়ে সেই সময়ত ঘোঁৰাত আৰোহণ কৰি আছিল। তেখেত (ছাঃ)য়ে নিজৰ ঘোঁৰা তাতে ৰাখি কৈছিল যে তাইক স্বাগত জনোৱা। এনেতে মহিলা জনীয়ে হুজুৰ (ছাঃ)ৰ কাষত গৈ তেখেত (ছাঃ)ক দেখিবলৈ লৈছিল। তেতিয়া হুজুৰ (ছাঃ)য়ে তাইৰ পুত্ৰ হজৰত উমৰু বিন মুৱাজ (ৰাঃ)ৰ শ্বাহাদতৰ বাবে শোক প্ৰকাশ কৰাত ছাআদ (ৰাঃ)ৰ মাকে কৈছিল মই যেতিয়া আপোনাক জীৱিত আৰু সুস্থ দেখিবলৈ পাইছো। মোৰ সকলো চিন্তা, শোক, দুখ শেষ হৈ গৈছে। এই কথা শুনি হুজুৰ (ছাঃ)য়ে কৈছিল আপোনাক মই এটা সুসংবাদ জনাও আৰু বাকী সকলো শ্বহীদৰ উত্তৰাধিকাৰী সকলক জনাই দিয়া এই সুসংবাদ যে এই সকলো বিলাক শ্বহীদ জান্নাতত এজনে আনজনৰ সৈতে একেলগে আছে আৰু প্ৰত্যেকেই নিজৰ নিজৰ পৰিয়াল বৰ্গৰ নিমিত্তে আল্লাহৰ দৰবাৰত মধ্যস্থতা আৰু চুপাৰিশ কৰি আছে।

উম্মে ছাআদ (ৰাঃ)য়ে এই সুসংবাদ শুনি ব্যক্ত কৰিছিল যে আমি সকলোৱে সন্তুষ্ট হৈছো আৰু এনে সংবাদ

শুনাৰ পিছত নো আৰু কোনে কান্দিব পাৰে। ইয়াৰ পিছত তাই হুজুৰ (ছাঃ)ৰ ওচৰত আবেদন জনাইছিল যে তেখেত (ছাঃ)য়ে শ্বহীদ সকলৰ উত্তৰাধিকাৰী সকলৰ বাবে দোৱা কৰিব লাগে। গতিকে হুজুৰ (ছাঃ)য়ে দোৱা কৰিছিল যে হে আল্লাহ তুমি এওঁলোকৰ অন্তৰত শোক মচি দিয়া, এওঁলোকৰ সকলো বিপদ-আপদ দূৰ কৰি দিয়া আৰু শ্বহীদ সকলৰ উত্তৰাধিকাৰী সকলক উত্তম উত্তৰাধিকাৰী প্ৰদান কৰা।

মুচলেহ্ মাওউদ (ৰাঃ)য়ে মদিনাবাসীৰ এই অকুণ্ঠ আগ্ৰহ আকৰ্ষণৰ বৰ্ণনা কৰোঁতে উল্লেখ কৰিছে যে চোৱা সেই মহিলাজনীক যাৰ বৃদ্ধ বয়সত হাতৰ লাঠী ভাঙি গৈছিল তথাপি কিমান মনোবলৰ সৈতে তাই কৈছিল যে মোৰ পুত্ৰৰ মৃত্যু শোকে একো জৰ্জৰিত কৰিব নোৱাৰে কাৰণ ৰছুলুল্লাহ (ছাঃ) যিহেতু জীৱিত আছে, সেয়ে মই এনে শোক ভাঁজি পেলাই হজম কৰিম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনা খিনি আন ঠাইত উল্লেখ কৰি কৈছে যে হে আনছাৰ সকল! তোমালোকলৈ উচ্ছৰ্গিত হওঁক, তোমালোকে কিমান যে পুণ্যবান হৈ গ'লা, এনেদৰে চাহাবা সকলৰ কোৰবাণীৰ দৃশ্যবিলাক বৰ্ণনা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এঠাইত আহমদী মহিলা সকলৰ উদ্দেশ্যে কৈছিল যে এই সকলেই আছিল সেই মহিলা, যিসকলে ইছলাম প্ৰচাৰ আৰু ইছলামৰ তবলিগ কৰিবলৈ পুৰুষৰ সমানে সমানে খোজ দিছিল আৰু এই সকলেই আছিল সেই মহিলা যিসকলৰ ওপৰত ইছলামী বিশ্বই গৌৰৱ বোধ কৰে। তোমালোকেও দাবী কৰা যে তোমালোকে হজৰত মছীহ মাওউদ (আঃ)ৰ ওপৰত ঈমান স্থাপন কৰিছা আৰু হজৰত মছীহ মাওউদ (আঃ) ৰছুলে কৰিম (ছাঃ)ৰ ছাঁ স্বৰূপ। গতিকে আন এটা মুলাঙ্কত বুজাবলৈ গলে তোমালোকে সেই প্ৰাৰম্ভিক যুগৰ মহিলা সকলৰ ছাঁ স্বৰূপ। সেয়ে তোমালোকে শুদ্ধ ভাৱে কোৱাচোন, তোমালোকৰ অন্তৰত সেই মহিলা সকলৰ দৰে দ্বীনৰ খিদমত কৰাৰ অদম্য ইচ্ছা যুগুতাই ৰাখিছিল ?

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে কিছুমান ঘটনা আগতেও বৰ্ণনা কৰা হৈছে যদিও (যেনেকৈ এই ঘটনাখিনি আগতেও বৰ্ণনা কৰা হৈছে) এয়া এনেকুৱা এটা ঘটনা, যি বাৰে বাৰে বিভিন্ন ধৰণে শুনি এটা বিশেষ ঈমানৰ জোৱাৰ হৃদয়ত বৈ যায় আৰু বেলেগ ধৰণৰ আগ্ৰহ মনত উদ্বেলিত হয়। প্ৰাৰম্ভিক যুগত প্ৰাণ পণ কৰা মহিলা সকলৰ বিষয়ে বৰ্ণনা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এঠাইত কৈছে যে ঈছাই সম্প্ৰদায় মৰিয়ম মগদলনি আৰু তাইৰ লগৰীয়া সকলৰ সাহসৰ শলাগ লয় যে তেওঁলোকে ৰাতি পুৱাৰ দোকমোকালিত শত্ৰুৰ চকুৰ আঁতৰে আঁতৰে পলাই গৈ মছীহৰ কবৰত উপস্থিত হৈছিল। কিন্তু মই তেওঁলোকক আহ্বান জনাও যে আহা। মোৰ প্ৰিয় নবীৰ মুখলিচ মুগদ্ধ সকলক চোৱা, তেখেত সকলে কেনেকুৱা অৱস্থাত তেখেত (ছাঃ)ৰ লগ দিছিল আৰু কেনেকুৱা অৱস্থাত তেখেত সকলে তৌহিদৰ পতাকা উৰ্ধলৈ দাঙি নিছিল।

ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া উহুদৰ যুদ্ধৰ পিছত মদিনালৈ আহিছিল তেতিয়া মুনাফিক সকলে আৰু ইহুদী সকলে আনন্দত মতলীয়া হৈ মুছলমান সকলক বহুত বেয়া কথা শুনাইছিল আৰু কৈছিল যে মহম্মদ (ছাঃ)য়ে ৰজা হ'ব বিচাৰে (নাউজুবিল্লাহ) আৰু কোনো নবীয়েই আজিলৈকে ইমান ক্ষতিগ্ৰস্ত হোৱা নাই যিমান ক্ষতিৰ সন্মুখীন নবী (ছাঃ)য়ে হৈছে। উহুদৰ যুদ্ধত নিজেও আহত হৈছিল আৰু তেখেতৰ চাহাবা সকলেও আহত হয় আৰু কৈছিল যে যদি তোমালোকৰ সেই লোক সকলে যিসকলে নিহত হৈছে আমাৰ লগত থাকিলে হয় তেন্তে তেওঁলোকে নিহত নহ'লহেঁতেন। হজৰত উমৰ (ৰাঃ)য়ে মুনাফিক সকলৰ এনেকুৱা কথা শুনি, তেওঁলোকক হত্যা কৰাৰ অনুমতি বিচাৰে, তেতিয়া নবী কৰিম (ছাঃ)য়ে কৈছিল কিয়

তেওঁলোকে এই শ্বাহাদতৰ কথাটো স্বীকাৰ নকৰেনে যে আল্লাহ বিহনে কোনো উপাস্য নাই, আৰু মই আল্লাহৰ ৰছুল হওঁ ? কিয় ! সিহঁতে কলেমা নপঢ়ে নে ? তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে কিয় নপঢ়িব! কলেমা সিহঁতে পঢ়ে কিন্তু সেয়া তৰোৱালৰ ভয়তহে পঢ়ে, নহলে এনেকুৱা মুনাফিকানা কথা সিহঁতে কিয় কৈছে। এতিয়া সিহঁতৰ ৰূপ ধৰা পৰি গৈছে আৰু মনৰ কথা ওলাই পৰিছে আৰু আল্লাহ তা'লা সিহঁতৰ কপটতা প্ৰকাশ কৰি দিছে, গতিকে সিহঁতৰ ওপৰত প্ৰতিশোধ লোৱা উচিত। হজৰত উমৰ (ৰাঃ)ৰ কথাবোৰ শুনি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে যিজনে লাইলাহা ইল্লাল্লাহু মুহাম্মদুৰ ৰাছুলুল্লাহ পঢ়িছে, মোক সিহঁতক হত্যা কৰিবলৈ নিষেধ কৰা হৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই কথা খিনিয়েই নামধাৰী উলামা সকলৰ মুখ বন্ধ কৰিবলৈ যথেষ্ট। যিবিলাক উলামায় আহমদী সকলে কোনো ধৰণৰ মুনাফিকানা কাম নকৰা সত্বেও আহমদী সকলক কাফিৰ বুলি কয় আৰু কয় যে এওঁলোকক হত্যা কৰা জায়েজ, সেই নামধাৰী উলমা সকলে পৱিত্ৰ ইছলামক কলঙ্কিত কৰি আছে।

উহুদৰ যুদ্ধত শ্বহীদ হোৱা সকলৰ জানাজা সম্পৰ্কে বোখাৰী চৰিফৰ ৰোৱায়েত যি বৰ্ণনাৰ পৰা আমি শ্বহীদ সকলৰ স্থান আৰু মৰ্যদা সম্পৰ্কে জানিব পাৰি। উকবা বিন আমৰ (ৰাঃ)ৰ পৰা ৰোৱায়েত আছে যে আঁহজৰত (ছাঃ)য়ে উহুদৰ যুদ্ধৰ আঠ বছৰ পিছত উহুদৰ শ্বহীদ সকলৰ নামাজে জানাজা পঢ়িছিল আৰু মেম্বাৰত থিয় হৈ কৈছিল যে মই তোমালোকৰ আগত গৈ থিয় হম আৰু মই তোমালোকৰ সাক্ষী হম। তোমালোকৰ সৈতে মই গৈ মিলাৰ ঠাই হ'ল হাউজে কউছাৰ। মই সেই ঠাইখন ইয়াৰে পৰা দেখিবলৈ পাই আছো আৰু তোমালোকলৈ মই এয়া ভয় নকৰো যে তোমালোক কোনো ধৰণৰ অংশীবাদত লিপ্ত হবা। কিন্তু মই তোমালোকৰ জাগতিক বিষয় সৰ্ম্পকে ভয় কৰো যে তোমালোকে এই বিষয়ে পৰস্পৰে প্ৰতিদ্বন্দ্বিতা কৰিবা, বাদ-বিবাদ কৰিবলৈ আৰম্ভ কৰিবা।

হজৰত জাবেৰ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যেতিয়া মোৰ উহুদৰ শ্বহীদ সকললৈ মনত পৰে, খোদা তা'লাৰ শপত, তেতিয়া মোৰ এনেকুৱা ইচ্ছা হয় যে যদি মইও মোৰ লগৰীয়া সকলৰ সৈতে পাহাৰৰ সেই গিৰিপথত থাকিলোহেঁতেন তেন্তে তেওঁলোকৰ লগত মইও শ্বহীদ হ'ব পাৰিলোহেঁতেন।

আঁহজৰত (ছাঃ)য়ে উহুদৰ শ্বহীদ সকলৰ কবৰৰ জিয়াৰত কৰি এই দোৱা পাঠ কৰিছিল, হে আল্লাহ! নিশ্চয় মই তোমাৰ ভৃত্য আৰু নবী হৈ সাক্ষী দি আছো যে এওঁলোক শ্বহীদ হয়। যিজনে এওঁলোকক জিয়াৰত কৰিব আৰু কিয়ামতৰ দিনলৈকে ছালাম প্ৰেৰণ কৰিব,এওঁলোকে তাৰ উত্তৰ প্ৰদান কৰিব। ৰছুলুল্লাহ (ছাঃ)য়ে উহুদৰ শ্বহীদ সকলৰ নিমিত্তে কৈছিল যে এওঁলোকেই সেই লোক, যি সকলৰ সাক্ষী মই। ৰোৱায়েতত উল্লেখ আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে বছৰৰ আৰম্ভনীতেই উহুদৰ শ্বহীদ সকলৰ কবৰ জিয়াৰত কৰিবলৈ গৈছিল। ৰাৱীয়ে বৰ্ণনা কৰিছে যে পিছলৈ হজৰত আবু বক্কৰ (ৰাঃ) আকৌ হজৰত উমৰ (ৰাঃ) তাৰ পিছত হজৰত উচমান (ৰাঃ)য়েও এনেদৰে সেই শ্বহীদ সকলৰ কবৰ জিয়াৰত কৰিবলৈ যোৱা কৰিছিল।

হজৰত বশিৰ (ৰাঃ)ৰ পিতৃয়ে উহুদৰ যুদ্ধত শ্বহীদ হৈছিল। এখেত নিজৰ দেউতাকৰ বাবে কান্দি আছিল, এনেতে ৰছুলুল্লাহ (ছাঃ)য়ে সেই ফালেদি গৈ আছিল আৰু হজৰত বশিৰ (ৰাঃ)ক কৈছিল নীৰৱ হৈ যোৱা, কিয় তুমি এই কথাত আনন্দিত নোহোৱানে যে মই তোমাৰ পিতৃ হৈ যাওঁ আৰু আয়শা তোমাৰ মা

হওঁক।

তেতিয়া হজৰত বশিৰ (ৰাঃ)য়ে কৈছিল, কিয় নহয়! ৰছুলুল্লাহ (ছাঃ) ইয়াতকৈ আৰু ডাঙৰ কিনো আনন্দৰ বিষয় আছে, ইয়াৰ পিছত নবী কৰিম (ছাঃ)য়ে বশিৰ (ৰাঃ)ৰ মূৰত হাত বুলাই দিছিল। যেতিয়া হজৰত বশিৰ (ৰাঃ)য়ে বুঢ়া হৈ আহিছিল, মূৰৰ চুলি বগা হৈ গৈছিল, কিন্তু মূৰৰ সেইখিনি ঠাইৰ চুলি পকি বগা হোৱা নাছিল য'ত নবী (ছাঃ)য়ে হাত বুলাই দিছিল। হজৰত বশিৰ (ৰাঃ) খোনা আছিল। নবী (ছাঃ)য়ে জৰা ফুকা দিয়াৰ পিছত তেখেত (ৰাঃ)ৰ এই খোকোজা লগা বেমাৰ ভাল হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই বৰ্ণনা আগলৈ চলি থাকিব বুলি উল্লেখ কৰি কয় যে পূৰ্বৰ দেশ সমূহ আৰু বিশ্বৰ অশান্তিময় পৰিস্থিতিৰ বাবে দোৱা কৰিব কাৰণ বৰ্তমানে পৰিস্থিতি বেয়াৰ পৰা আৰু বেয়াৰ ফালে ঢাল খাই আছে। সন্দেহ আছে যে ইৰাণৰ ওপৰতও আক্ৰমণ হ'ব পাৰে আৰু যুদ্ধই ডাঙৰ ৰূপ ল'ব পাৰে। আল্লাহ তা'লা সকলোৰে ওপৰত কৃপা বৰ্ষণ কৰক। যোৱা কালি খবৰ পোৱা গৈছে যে ইয়ামিনত কেইজনমান বন্দীক ৰেহাই দিয়া হৈছে। খবৰত উল্লেখ যে তাতে বেছি ভাগ কয়েদীক ৰেহাই দিয়া হৈছে। বাকী যিকেইজন আছে তেওঁলোকৰ মুক্তিৰ বাবে দোৱা কৰিব।

আল্লাহ তা'লা তাৰে মূখ্য নেতা সকলৰ হৃদয় কয়েদী সকললৈ কোমল কৰি দিয়ক। বিশেষকৈ তাতে এজনী মহিলা কয়েদী আছে তাই সদৰ লাজনা পদত আছিল। আল্লাহ তা'লা অতি সোনকালে তাইৰ মুক্তিৰ ব্যৱস্থা কৰি দিয়ক।

খোতবাৰ শেষ অংশত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন মৰহুমৰ অৰ্থাৎ মকৰম মোস্তফা আহমদ খান চাহাব ইবনে হজৰত নৱাব আব্দুল্লাহ খান চাহাব (ৰাঃ) আৰু হজৰত নৱাব আমতুল হাফিজ বেগম চাহিবা তাই হজৰত মছীহ মাওউদ (আঃ)ৰ আটাইতকৈ সৰু নাতিনী আছিল, আৰু মকৰম ডাক্তৰ মীৰ দাউদ আহমদ চাহাব আমেৰিকাৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ বাবে ক্ষমা আৰু উন্নত মৰ্যদা প্ৰাপ্তিৰ বাবে দোৱা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................................

........................................................................................................................................

........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844